# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2024
**Time :** 0705 Hrs.

## Assamese Morning Bulletin
## HEADLINES
**::::::::::::::::::::::::::::::::::::**

১।  দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে।

২।  লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে।

৩।  উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নাগৰিকসকলক ৰাষ্ট্ৰৰ স্বাৰ্থত সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

৪। মণিকা বাট্ৰা মহিলাৰ ছিংগলছৰ বিশ্ব ৰেংকিঙত শীৰ্ষৰ ২৫গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা টেবুল টেনিছ খেলুৱৈ ৰূপে পৰিগণিত হৈছে।

*আৰু*

৫।  ডেলহি কেপিটেলছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছক ১৯ ৰাণত পৰাস্ত কৰে।

০০০০

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিয়লি মুম্বাইৰ ঘাটকোপাৰত এটা ৰোড শ্ব'ত ভাগ ল'ব। এল বি এছ মাৰ্গৰ শ্ৰেয়াছ চিনেমাৰ পৰা আৰম্ভ হ'বলগীয়া ২ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰোড শ্ব'ৰ সামৰণি পৰিব গান্ধী মাৰ্কেটত। মুম্বাইৰ উত্তৰ-পূব সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপি প্ৰাৰ্থী মিহিৰ কোটেছাৰ প্ৰচাৰৰ অংশ হিচাপে এই ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি পশ্চিমবংগৰ বনগাঁও লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে জনসাধাৰণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰ বাবে জনসাধাৰণক এন ডি এক ভোটদান কৰিবলৈ আহ্বান জনায়। তেওঁ চতুৰ্থ পৰ্যায়লৈকে নিৰ্বাচন অনুষ্ঠিত ৩৮০খন আসনৰ ভিতৰত এন ডি এয়ে ২৭০খন আসন লাভ কৰিব বুলি মন্তব্য কৰে। ইফালে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি উত্তৰ প্ৰদেশৰ আমেঠিত আয়োজিত এখন জনসভাত অংশ লয়।

কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি উত্তৰ প্ৰদেশৰ মহাৰাজগঞ্জ আৰু গোৰখপুৰৰ সমীপৰ চৌৰি-চৌৰাত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে কৃষকৰ ঋণ ৰেহাই দিয়াৰ লগতে কৃষি খণ্ডৰ পৰা জি এছ টি আঁতৰোৱা হ'ব বুলি উল্লেখ কৰে। একেদৰে কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই কালি উত্তৰ প্ৰদেশৰ আমেঠিত জনসভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান চলায়। ইপিনে আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে হাৰিয়ানাৰ কুৰুক্ষেত্ৰত এটা ৰোড শ্ব'ত অংশ লয়।

সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীৰ সৈতে কালি ঝাছিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদীপ জৈনৰ হকে যুটীয়াভাৱে নিৰ্বাচনী সভাত ভাষণ দিয়ে।

বিহাৰতো প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে। বিজেপি, জে দি ইউ, লোকজনশক্তি পাৰ্টী ৰামৱিলাস, হিন্দুস্তানী আৱাম মৰ্চা, আৰু ৰাষ্ট্ৰীয় মৰ্চাৰ নেতাসকলে ৰাজ্যখনৰ ঠায়ে ঠায়ে কালি এন ডি এ প্ৰাৰ্থীৰ হকে প্ৰচাৰত ভাগ লয়। ৰাজ্যখনৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী সুশিল কুমাৰ মোদীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ তাৰকা প্ৰচাৰকসকলে নিজৰ কাৰ্যসূচী বাতিল কৰে। আৰ জে ডিৰ নেতা তেজশ্বী প্ৰসাদ যাদৱ, বিকাশশীল ইনচান পাৰ্টীৰ মুৰববী মুকেশ সাহানীয়েও কালি বিভিন্ন সমষ্টিত মহা মিত্ৰজোটৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছৰ নেতাসকলে কালি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে প্ৰচাৰত ব্ৰতী হয়।

দিল্লীৰ ৭টা লোকসভা সমষ্টিতো প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ নেতা তথা মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি উত্তৰ-পূব দিল্লী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপি প্ৰাৰ্থী মনোজ তিৱাৰীৰ হকে কমলা নগৰ এলেকাত এখন নিৰ্বাচনী সভাত ভাগ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও কালি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ লক্ষ্মীনগৰ এলেকাত পূব দিল্লী সংসদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী হৰ্ষ মালহোট্ৰাৰ হৈ প্ৰচাৰ চলায়। আনহাতে আম আদমী পাৰ্টীৰ নেতা তথা ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে পশ্চিম লোকসভা আসনৰ দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে। মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব আৰু শুকুৰবাৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব। এই পৰ্যায়ত সাতখন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টি সামৰি লোৱা হ'ব।

বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও আগশাৰীৰ নেতাই কালি মনোনয়ন-পত্ৰ দাখিল কৰে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে কালি বাৰানসী লোকসভা সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছে মোডীৰ বিৰুদ্ধে পুনৰ অজয় ৰায়ক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। বিজেপি প্ৰাৰ্থী কংগনা ৰাণাৱটেও হিমাচল প্ৰদেশৰ মন্দী সমষ্টিৰ পৰা মনোনয়ন দাখিল কৰে। এই আসনখনৰ পৰা কংগ্ৰেছৰ বিক্ৰমাদিত্য সিঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কংগ্ৰেছ নেতা মনীষ তিৱাৰীও চণ্ডীগড় আসনৰ পৰা মনোনয়ন দাখিল কৰিছে। সমষ্টিটোত বিজেপিয়ে সঞ্জয় টেণ্ডনক প্ৰক্ষেপ কৰিছে।

০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নাগৰিকসকলক ৰাষ্ট্ৰৰ স্বাৰ্থত সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ আহ্বান জনাইছে। সংসদ ভৱনত কালি ভাগৱত গীতা সন্দৰ্ভত ড০ সুভাষ কাশ্যপৰ ব্যাখ্যাত্মক ধাৰা বিৱৰণী উন্মোচন কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে পৱিত্ৰ গ্ৰন্থ গীতাই আধ্যাত্মিকতা, ধাৰ্মিকতা আৰু কৰ্তব্যৰ প্ৰতি নিষ্ঠাৰ পথ দেখুৱাই আহিছে।

০০০০

দক্ষতাৰ উচ্চতম মানৰ বাবে ডিজাইন কৰা ভাৰতৰ সৰ্ববৃহৎ দক্ষতা প্ৰতিযোগিতাখন আজি নতুন দিল্লীত আৰম্ভ হ'ব। দক্ষতা বিকাশ আৰু ঔদ্যোগীকৰণ মন্ত্ৰালয়ে জনোৱা মতে ভাৰতীয় দক্ষতা প্ৰতিযোগিতা ২০২৪ত ৩০খনতকৈও অধিক ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯ শতাধিকতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে চাৰিশৰো অধিক উদ্যোগ বিশেষজ্ঞই অংশগ্ৰহণ কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে চলিবলগীয়া এই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলে পৰম্পৰাগত শিল্পকৰ্মৰ পৰা আৰম্ভ কৰি অত্যাধুনিক প্ৰযুক্তিলৈকে ৬১টা দক্ষতাৰে ৰাষ্ট্ৰীয় মঞ্চত নিজৰ দক্ষতা আৰু প্ৰতিভা প্ৰদৰ্শন কৰিব পাৰিব। ইয়াৰে ৪৭খন দক্ষতা প্ৰতিযোগিতা স্থানীয়ভাৱে অনুষ্ঠিত হ'ব যদিও শ্ৰেষ্ঠ আন্তঃগাঁথনিৰ উপলব্ধতাক মনত ৰাখি কৰ্ণাটক, হাৰিয়ানা, উত্তৰ প্ৰদেশ আৰু গুজৰাটত ১৪খন দক্ষতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে ড্ৰন ফিল্ম মেকিং, টেক্সটাইল ৱেভিং, লেডাৰ শ্বু মেকিং, প্ৰচথেটিকছ মেক আপ আদি ৯টা প্ৰদৰ্শনী দক্ষতাতো অংশগ্ৰহণ কৰিব পাৰিব। ভাৰতীয় দক্ষতাৰ বিজয়ীসকলে চলিত বৰ্ষৰ ছেপ্তেম্বৰত ফ্ৰান্সৰ লিয়নত অনুষ্ঠিত হ'বলগীয়া বিশ্ব দক্ষতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০

দেশৰ আগশাৰীৰ টেবুল টেনিছ খেলুৱৈ মণিকা বাট্ৰা মহিলাৰ ছিংগলছৰ বিশ্ব ৰেংকিঙত শীৰ্ষৰ ২৫গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা টেবুল টেনিছ খেলুৱৈ ৰূপে পৰিগণিত হৈছে। খেলুৱৈগৰাকীয়ে যোৱা সপ্তাহত অনুষ্ঠিত চৌদি স্মেছ প্ৰতিযোগিতাত দেখুওৱা প্ৰদৰ্শনৰ বাবে খেলুৱৈ জীৱনৰ সৰ্বশ্ৰেষ্ঠ ২৪ সংখ্যক ৰেংকিং লাভ কৰিবলৈ সমৰ্থ হৈছে। খেলুৱৈগৰাকীয়ে লগতে টেবুল টেনিছৰ ছিংগলছত ভাৰতীয় খেলুৱৈয়ে সৰ্বোচ্চ ৰেংক অৰ্জন কৰা জি সাথিয়ানৰ পাঁচ বছৰীয়া অভিলেখো স্পৰ্শ কৰিছে। ২০১৮ চনৰ কমনৱেল্থ গেমছৰ ব্যক্তিগত আৰু দলীয় শাখাত সোণৰ পদক লাভ কৰা মণিকা বাট্ৰাই জেদ্দাহত অনুষ্ঠিত চৌদি স্মেছ প্ৰতিযোগিতাত দেখুওৱা প্ৰদৰ্শনৰ ফলত ৰেংকিঙত ১৫টা স্থান ওপৰলৈ উঠিবলৈ সক্ষম হৈছে। বাট্ৰাই চৌদি স্মেছ প্ৰতিযোগিতাত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০

ডেলহি কেপিটেলছে যোৱা নিশা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১৯ ৰাণত পৰাস্ত কৰে। খেলখনত ডেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ২০৮ ৰাণ কৰে। প্ৰত্যুত্তৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৮৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ডেলহি কেপিটেলছ কালিৰ জয়ৰ সুবাদত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত পঞ্চম স্থানলৈ উন্নীত হৈছে। দলটোৱে এইবাৰৰ ১৪খন খেলৰ ৭খনত

জয়লাভ কৰি ১৪ পইণ্ট অৰ্জন কৰিছে। আনহাতে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে বৰ্তমানলৈ খেলা ১৩খন খেলৰ ৬খনত জয়লাভ কৰি ১২ পইণ্টেৰে পইণ্ট তালিকাৰ সপ্তম স্থানত আছে। দুয়োটা দল প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰাৰ সম্ভাৱনা বাকী খেলসমূহৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব।

প্ৰতিযোগিতাত আজি গুৱাহাটীত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ্ পাঞ্জাব কিংছৰ সন্মুখীন হ'ব। বৰ্তমানলৈকে ১৬ পইণ্ট অৰ্জন কৰা ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব। উল্লেখযোগ্য যে পাঞ্জাব কিংছ্ ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ